# অসম লোকসেৱা আয়োগ

জৱাহৰ নগৰ, খানাপাৰা,গুৱাহাটী-২২

******************************************************

## প্ৰেছ বিজ্ঞপ্তি

ইয়াৰ দ্বাৰাই সৰ্বসাধাৰণ ৰাইজ বিশেষভাৱে আগন্তুক সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ পৰীক্ষাৰ্থী সকলক জনোৱা যায় যে অসম লোকসেৱা আয়োগৰ দ্বাৰা অনুষ্ঠিত কৰা প্ৰতিটো পৰীক্ষাৰ প্ৰাকমুহূৰ্তত এটা দুষ্ট চক্ৰই "প্ৰশ্ন কাকত ফাদিল হৈছে, প্ৰশ্নকাকত কিনিব নেকি? পৰীক্ষাত পাছ কৰিবলৈ 'ফিটিং' কৰিবনেকি?" বুলি ভুৱা প্ৰশ্নকাকত লৈ ধনৰ লেনদেন কৰে বুলি বিশ্বস্ত সূত্ৰে আয়োগে জানিব পাৰিছে। সদাশয় ৰাইজে তেনেলোকৰ সন্ধান পালে তৎকালে কৰায়ত্ত কৰি আৰক্ষীৰ হাতত গতাই দিবৰ বাবে আয়োগে অনুৰোধ জনাইছে।

শেষত অসম অসামৰিক সেৱা আৰু সংলগ্ন সেৱাৰ বাবে অহা ৩১ মে, ২০১৫ তাৰিখৰ পৰা আৰম্ভ হব লগা লিখিত পৰীক্ষাৰ পৰীক্ষাৰ্থী সকললৈ আয়োগে শুভেচ্ছা জ্ঞাপন কৰিছে।

স্বা:  
উপসচিব  
অসম লোকসেৱা আয়োগ